# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 07-June-2026 **Time :** 0755 Hrs.

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাকে ধৰি অসম মন্ত্ৰীসভাৰ সদস্যসকলে কালি লোকভৱনত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক সাক্ষাৎ কৰে। এই উপলক্ষে লোকভৱনত আয়োজিত **স্নেহ মিলন** শীৰ্ষক অনুষ্ঠানত ৰাজ্যপাল শ্ৰীআচাৰ্যৰ সহধৰ্মিনী কুমুদ দেৱী আৰু মুখ্যমন্ত্ৰীৰ পত্নী ৰিণিকি ভূঞা শৰ্মা উপস্থিত থাকে। ৰাজ্যপালগৰাকীয়ে মুখ্যমন্ত্ৰী আৰু নৱনিযুক্ত মন্ত্ৰীসকলক অসমৰ শান্তি, প্ৰগতি, সমৃদ্ধি আৰু সৰ্বাংগীণ উন্নয়নৰ প্ৰতি সামূহিক দায়বদ্ধতাৰে কাম কৰিবলৈ আহ্বান জনায়। ৰাজ্যপাল শ্ৰীআচাৰ্যই কালি ৰাজ্য চৰকাৰৰ কমেও ১০০ গৰাকী সচিব তথা জ্যেষ্ঠ বিষয়াৰ সৈতেও মত বিনিময় কৰে। তেওঁ বিকশিত অসমৰ যাত্ৰা অব্যাহত ৰখাৰ বাবে প্ৰতিগৰাকী বিষয়াক আহ্বান জনায়। তেওঁ লগতে অসমক দেশৰ শীৰ্ষ ৫ খন ৰাজ্যৰ অন্যতম হিচাপে গঢ়ি তুলিবলৈ সকলোকে প্ৰচেষ্টা অব্যাহত ৰখাৰ বাবে পৰামৰ্শ দিয়ে। কালি এই উপলক্ষে লোকভৱনত আটকধুনীয়া সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হয়।

০০০০০০০

চাহ শ্ৰমিকক প্ৰধানমন্ত্ৰী আবাস যোজনাৰ গৃহ প্ৰদানৰ প্ৰস্তুতি চলাই থকা অসম চৰকাৰে শেহতীয়াকৈ কেন্দ্ৰৰ পৰা **প্ৰধানমন্ত্ৰী আবাস যোজনাৰ দ্বিতীয় সংস্কৰণ**ৰ অধীনত ১৬ হাজাৰ ৮১০টা ঘৰৰ অনুমোদন লাভ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে এই তথ্য প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী আবাস যোজনাৰ দ্বিতীয় সংস্কৰণ'ৰ অধীনত অসমে ২২০ কোটি ১২ লাখ টকাৰ আৱণ্টন লাভ কৰাৰ লগতে ১৬ হাজাৰ ৮১০ টা ঘৰৰ অনুমোদন লাভ কৰিছে। আনহাতে ২৭ হাজাৰ ৫৪৪টা গৃহ অনুমোদন পৰ্যায়ত আছে। ইপিনে মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী আবাস যোজনাৰ গৃহ প্ৰদানৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ কৃতজ্ঞতা জ্ঞাপন কৰি কয়, যে এই গৃহ নিৰ্মাণ আঁচনিখনে সমগ্ৰ অসমতে স্থায়ী গৃহ প্ৰদানৰ লগতে গৃহহীন হিতাধিকাৰীসকলক উপকৃত কৰিব। বিগত বৰ্ষত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই তিনি লাখ ২৫ হাজাৰ ২৩৪টা প্ৰধানমন্ত্ৰী আবাস যোজনাৰ গৃহ হিতাধিকাৰীক প্ৰদান কৰিছিল। কেন্দ্ৰই ২০২২ চনত অসমৰ বাবে পাঁচ লাখ গৃহৰ অনুমোদন জনাইছিল। সেই লক্ষ্য পূৰণ কৰাৰ পিছত চলিত বিত্তীয় বৰ্ষত কেন্দ্ৰীয় চৰকাৰে প্ৰধানমন্ত্ৰী আবাস যোজনাৰ দ্বিতীয় সংস্কৰণ'ৰ অধীনত ১৬ হাজাৰ ৮১০ টা গৃহৰ অনুমোদন জনায়।

০০০০০০০

গুৱাহাটীত প্ৰথমবাৰৰ বাবে ভাৰত-জাপান মৈত্ৰী আন্তঃৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হ'ব। অহা জুলাইৰ মাজভাগত হ'বলগীয়া এই সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে প্ৰথমবাৰৰ বাবে জাপানৰ প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰী ছানায়ে টাকাইচি ভাৰত ভ্ৰমণলৈ আহিব। দুয়ো দেশৰ এই সন্মিলনক লৈ ইতিমধ্যে দিল্লীৰ লগতে দিছপুৰতো বিশেষ তৎপৰতা আৰম্ভ হৈছে। কেন্দ্ৰৰ পৰা এই সন্দৰ্ভত অনুমোদন লাভ কৰাৰ পাছতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন মিত্ৰজোঁট চৰকাৰে ভাৰত-জাপান আন্তঃৰাষ্ট্ৰীয় মৈত্ৰী সন্মিলনখন সুচাৰুৰূপে আয়োজন কৰাৰ বাবে ইতিমধ্যে প্ৰয়োজনীয় পৰিকল্পনা যুগুত কৰিছে। এই লৈ কালি লোকসভা ভৱনত

মুখ্যমন্ত্ৰীগৰাকীৰ অধ্যক্ষতাত অসম মন্ত্ৰী পৰিষদৰ গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙকে ধৰি কেন্দ্ৰীয় মন্ত্ৰীসভাৰ কেইবাগৰাকীও সদস্য আৰু শীৰ্ষ বিষয়াসকল উপস্থিত থাকিব। উল্লেখযোগ্য যে, এই সন্মিলনত প্ৰতিৰক্ষা, বাণিজ্য, অৰ্থনৈতিক সুৰক্ষা আদি কেইবাটাও বিষয়ত উভয় দেশৰ মাজত বুজাবুজিৰ চুক্তি সম্পাদন হোৱাৰ সম্ভাৱনা আছে।

০০০০০০০

তেজপুৰত কালিৰে পৰা অনুষ্ঠিত লিচু উৎসৱৰ আজি সামৰণি পৰিব। কালি এই উৎসৱৰ অংশ হিচাপে কেইবাটাও কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত অংশ লৈ সাংসদ ৰঞ্জিত দত্তই লিচুৰ উৎপাদন বৃদ্ধিৰ বাবে কৃষকসকলক উৎসাহিত কৰাৰ লগতে স্প্ৰেয়াৰ ক্ৰয়ৰ বাবে কৃষকসকললৈ ৫২ লাখ টকা পৰ্যন্ত আৰ্থিক সাহায্য প্ৰদানৰ পৰিকল্পনা লোৱা হৈছে বুলি জানিবলৈ দিয়ে। অনুষ্ঠানত উপস্থিত থাকি তেজপুৰৰ বিধায়ক পৃথ্বীৰাজ ৰাভাই লিচু উৎপাদন বৃদ্ধিৰ বাবে ঘৰে ঘৰে লিচু আঁচনি গ্ৰহণ কৰা হ'ব বুলি প্ৰকাশ কৰে। ইয়াৰ অধীনত তেজপুৰৰ ১০ হাজাৰ পৰিয়ালৰ মাজত ২০ হাজাৰ উন্নত জাতৰ লিচু পুলি ৰোপণ কৰা হ'ব বুলি তেওঁ কয়। এই উৎসৱৰ কাৰ্যসূচী সন্দৰ্ভত শোণিতপুৰৰ আয়ুক্ত তথা লিচু উৎসৱ আয়োজক সমিতিৰ অধ্যক্ষ আনন্দ কুমাৰ দাসে এইদৰে কয়–

**বাইট (আনন্দ কুমাৰ দাস)**

উল্লেখযোগ্য যে তেজপুৰৰ বিশ্ববিখ্যাত লিচুক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত জনপ্ৰিয় কৰিবলৈ আৰু নতুন প্ৰজন্মক লিচু খেতি কৰাৰ বাবে উৎসাহিত কৰাৰ উদ্দেশ্যে এই উৎসৱৰ আয়োজন কৰা হৈছে। শোণিতপুৰ জিলা প্ৰশাসনে ভৌগোলিক স্বীকৃতি লাভ কৰা তেজপুৰৰ সুস্বাদু লিচু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ উপহাৰ হিচাপে প্ৰেৰণ কৰিছে। প্ৰধানমন্ত্ৰীলৈ জিলা প্ৰশাসনে প্ৰেৰণ কৰা এই বিশেষ উপহাৰে তেজপুৰৰ লিচুক ৰাষ্ট্ৰীয় পৰ্যায়ত অধিক জনপ্ৰিয় কৰাৰ লগতে ইয়াৰ লগত জড়িত কৃষকসকলক উৎসাহিত কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০

**সমাপ্ত**